**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা ৰাজনৈতিক জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰে।

৩। পাকিস্তানে সন্ত্ৰাসবাদী সংগঠন অল-কায়দাৰ নেতৃত্বক আশ্ৰয় দান কৰা বুলি দোষাৰোপ কৰি আমেৰিকাত সংঘটিত সন্ত্ৰাসবাদীৰ কাৰ্যকলাপৰ বাবে ভাৰতে দেশখনক জগৰীয়া কৰিছে।

৪। প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিয়ে আজি ৪ বছৰ সম্পূৰ্ণ কৰিছে। ***আৰু***

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী লোৱা হৈছে। ১৭ অক্টোবৰলৈ চলিবলগীয়া এই অভিযানৰ প্ৰথম দিনটোত আজি সেৱা দিৱস হিচাপে পালন কৰা হৈছে। এই দিৱসৰ অংশ হিচাপে দেশজুৰি আজি ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত এই শিবিৰ মুকলি কৰে। শিবিৰত শ্ৰী নবীন আৰু দলৰ অন্য নেতা-কৰ্মীয়ে ৰক্তদান কৰে। এই উপলক্ষে বিজেপিৰ সভাপতিগৰাকীয়ে কয়, যে দেশৰ বিভিন্ন অংশত দলীয় কৰ্মীসকলে ৰক্তদান শিবিৰত অংশ লৈছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত জনসাধাৰণৰ জীৱনৰ আমূল পৰিৱৰ্তন হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰত ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ পথত ক্ষিপ্ৰতাৰে অগ্ৰসৰ হৈছে বুলি তেওঁ মন্তব্য কৰে।

বাইট

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ডᵒ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নজনে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰে দেশৰ সমৃদ্ধি আৰু মৰ্যাদা বৃদ্ধি কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰত বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ডᵒ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে শ্ৰী মোদীয়ে ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰি উন্নয়ন আৰু আত্মনিৰ্ভৰশীলতাৰ নতুন যুগৰ সূচনা কৰিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি তেওঁৰ দায়বদ্ধতা সদায় প্ৰেৰণাৰ উৎস বুলি মুখ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাইও প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

ৰাজ্যসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী মোদীক তেওঁৰ জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া সুকীয়া বাৰ্তাত দুয়োগৰাকী কংগ্ৰেছ নেতাই শ্ৰীমোদীক সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱনৰ বাবে শুভেচ্ছা জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে দেশৰ লগতে বিশ্বৰ অন্যান্য স্থানৰ পৰাও শুভকামনাৰ বাৰ্তা আহি আছে। এনে ধৰণৰ সদিচ্ছা তথা শুভেচ্ছাৰ প্ৰতি সঁহাৰি জনাই শ্ৰীমোদীয়ে নিজৰ সামাজিক মাধ্যমৰ একাউণ্টত অমন পণ্টৰ **আশীৰ্বাদ কা দীয়া** শীৰ্ষক গীতটো প্ৰচাৰ কৰিছে। শুভেচ্ছা জ্ঞাপন কৰা লোকসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এনে ধৰণৰ সদিচ্ছাই তেওঁৰ অন্তৰত বিশেষ স্থান গ্ৰহণ কৰি আহিছে। প্ৰতিটো শুভেচ্ছাই দেশৰ জনসাধাৰণৰ প্ৰতি অধিক নিষ্ঠা আৰু সেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ তেওঁক অনুপ্ৰাণিত কৰে বুলিও শ্ৰীমোদীয়ে লগতে প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰে। এই তিনিদিনীয়া সন্মিলনে এখন ধ্বজাবাহী মঞ্চ হিচাপে কাম কৰাৰ লগতে গোলকীয় ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিন খণ্ডৰ প্ৰতিষ্ঠানসমূহক একত্ৰিত কৰি সমন্বয় বৃদ্ধি, উদ্ভাৱন, উৎপাদন সামৰ্থ বৃদ্ধি, বিনিয়োগ আকৰ্ষিত কৰা আৰু প্ৰতিভা বিকাশত অৰিহণা যোগাব। এই সন্মিলনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে এফালে ভাৰতৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হোৱাৰ লগতে ভাৰতৰ ওপৰত বিশ্ব সম্প্ৰদায়ৰ বিশ্বাস ক্ৰমাৎ বাঢ়িবলৈ লৈছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে দেশৰ প্ৰতিজন নাগৰিকে এখন বিকশিত ভাৰত নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ ছেমি কণ্ডাক্টৰ পৰিৱেশ তন্ত্ৰ দ্ৰুত গতিত বৃদ্ধি পাইছে আৰু ইয়ে উদ্ভাৱন, বিনিয়োগ আৰু বিকাশত সুযোগ সৃষ্টি কৰিব।

বাইট (মোদী)

এই সন্মিলনত কেন্দ্ৰীয় ইলেক্ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তিৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাৰতে বিগত কেইবা দশক ধৰি ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সম্ভৱ হৈ পৰিল। তেওঁ কয়, যে ইতিমধ্যে এই উদ্যোগৰ বুনিয়াদ স্থাপন কৰা হৈছে আৰু ইয়াৰ দ্বিতীয় পৰ্যায়ত ছেমিকন টু পইণ্ট অ'ৰ জৰিয়তে উদ্যোগ নিৰ্মাণ কৰা হ'ব আৰু ইয়ে ছটা মুখ্য স্তম্ভত আলোকপাত কৰিব। এই পৰ্যায়ত ছেমি কণ্ডাক্টৰৰ আৰ্হি যন্ত্ৰ তথা সামগ্ৰী, মেম'ৰি, ছিলিকন, আদিকে ধৰি গৱেষণা আৰু উন্নয়ন কোষো থাকিব। তেওঁ লগতে কয়, যে ছেমি কণ্ডাক্টৰৰ জৰিয়তে চৰকাৰে কমেও ২০০ ষ্টাৰ্টআপ আৰু কম্পেনিক সহায় কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে।

বাইট (বৈষ্ণৱ)

এই তিনিদিনীয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ মূল বিষয়বস্তু হৈছে- ছিলিকনৰ পৰা প্ৰণালীলৈ ঃ অনুকূল ব্যৱস্থাৰ নিৰ্মাণ। প্ৰদৰ্শনীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৬০০তকৈ অধিক প্ৰদৰ্শনকাৰী, ৩০০তকৈ অধিক আন্তঃৰাষ্ট্ৰীয় কোম্পানী আৰু ৪০ খনতকৈ অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। প্ৰদৰ্শনীখনত ছখন দেশ, ১২ খন ৰাজ্য আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ বাবে এটা সুকীয়া মণ্ডপ আছে। এই সন্মিলন তথা প্ৰদৰ্শনীত ছেমি কণ্ডাক্টৰ নিৰ্মাণ আৰু প্ৰযুক্তিকে ধৰি ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিক খণ্ডৰ শেহতীয়া শৈলী আৰু গুৰুত্বপূৰ্ণ খণ্ড সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা আৰু কৌশলগত অধিৱেশনৰ আয়োজন কৰা হৈছে। এই সন্মিলনে ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহৰ বাবে সহযোগিতাৰ অন্বেষণ, বিনিয়োগৰ সুযোগ, প্ৰযুক্তিগত সহযোগিতা আৰু বিশ্বাসী গোলকীয় ছেমি কণ্ডাক্টৰ সহযোগী হিচাপে ভাৰতৰ স্থিতি অধিক সবল কৰি তোলাৰ আশা কৰা হৈছে।

০০০০০০

পাকিস্তানে সন্ত্ৰাসবাদীৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে সন্ত্ৰাসবাদী সংগঠন অল-কায়দাৰ নেতৃত্বক নিৰাপদ আশ্ৰয় দান কৰা বুলি দোষাৰোপ কৰি আমেৰিকাত সংঘটিত ১১ ছেপ্তেম্বৰৰ বাবে ভাৰতে দেশখনক জগৰীয়া কৰিছে। আফগানিস্তানৰ পৰিস্থিতি সন্দৰ্ভত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এখন বৈঠকত পাকিস্তানক কঠোৰ ভাষাৰে সমালোচনা কৰি আন্তঃৰাষ্ট্ৰীয় সংস্থাটোত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিষে এই প্ৰসংগত নিৰাপত্তা পৰিষদৰ নিউয়ৰ্কৰ ৯/১১ স্মাৰক ভ্ৰমণৰ বিষয় উল্লেখ কৰে।

আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক ১১ ছেপ্তেম্বৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা লোকসকললৈ মনত পেলাই কেৱল সন্ত্ৰাসবাদীৰ বিৰুদ্ধেই নহয়, বৰঞ্চ সন্ত্ৰাসবাদীক সহায় কৰা, ধনৰ যোগান ধৰা তথা আশ্ৰয় আৰু সমৰ্থন আগবঢ়োৱা সকলো পক্ষৰ বিৰুদ্ধে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। প্ৰতিনিধিগৰাকীয়ে লগতে কয়, যে ৯/১১ আক্ৰমণৰ সৈতে জড়িত

শক্তিসমূহক আশ্ৰয় প্ৰদান কৰাৰ লেখিয়াকৈ বৰ্তমানেও লস্কৰ-ই-তৈয়বা আৰু জৈয়ছ্-ই-মহম্মদকে ধৰি অল-কায়দাৰ সহযোগী সংস্থাসমূহক আশ্ৰয়দান কৰাৰ পৰিৱেশ অব্যাহত আছে। ৯/১১ ৰ আক্ৰমণৰ চক্ৰান্তত লিপ্ত অল-কায়দাৰ কেইবাজনো জ্যেষ্ঠ নেতাৰ, পূৰ্বে পাকিস্তানৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকাৰ তথ্যও তেওঁ উল্লেখ কৰ।

আক্ৰমণৰ ঘটনাটোৰ মূল চক্ৰান্তকাৰী তথা পুঁজি যোগানেৰে এই চক্ৰান্তক সাৰ-পানী যোগাওতা ওচামা বীন লাডেনৰ আমেৰিকাই ২০১১ চনত এবটাবাদত চলোৱা এটা অভিযানত মৃত্যু হোৱাৰ প্ৰসংগ উল্লেখ কৰি শ্ৰী হৰিষে, এনে কুখ্যাত সন্ত্ৰাসবাদীয়ে পাকিস্তানৰ দূৰণিবতীয়া অঞ্চলতে কেৱল নহয়, জনবসতি অঞ্চলতো নিৰাপদ আশ্ৰয় গ্ৰহণ কৰি অহাৰ বিষয়েও প্ৰকাশ কৰে। ৰাষ্ট্ৰসংঘৰ নিষেধাজ্ঞাৰ হাত সাৰিবলৈ পাকিস্তান ভিত্তিক সন্ত্ৰাসবাদী সংগঠনসমূহে সুকীয়া পৰিচয়ৰ আশ্ৰয় লৈ অহা বুলি অভিযোগ কৰি তেওঁ এনে সংগঠনসমূহৰ পৰা সততে দেখা দিয়া ভাবুকিৰ বিষয়েও উল্লেখ কৰে। আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে সন্ত্ৰাসবাদীৰ নিৰাপদ আশ্ৰয়ৰ বিৰুদ্ধে আৰু নিৰীহ লোকসকলক বিপদৰ সন্মুখীন কৰি অহা পৰিস্থিতিক প্ৰতিহত কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ত তেওঁ গুৰুত্ব আৰোপ কৰে।

000000

প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিয়ে আজি ৪ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৮ বিধ বছা বছা ব্যৱসায়ৰ সৈতে জড়িত কাৰিকৰ আৰু পৰম্পৰাগত কাৰুশিল্পীসকলক সহায় আগবঢ়োৱাৰ উদ্দেশ্যে ২০২৩ চনৰ আজিৰ দিনটোতে এই আঁচনিখন শুভাৰম্ভ কৰিছিল। এই আঁচনিৰ অধীনত প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা প্ৰমাণপত্ৰ আৰু পৰিচয় পত্ৰৰ মাধ্যমেৰে স্বীকৃতি, দক্ষতা বিকাশ, সঁজুলিৰ বাবে বিশেষ উদ্গনিমূলক ধনৰাশি, ঋণ সাহায্য, ডিজিটেল লেনদেনৰ বাবে উদ্গনি আৰু বিপণন সাহায্যৰ সৰ্বাত্মক পেকেজ প্ৰদান কৰা হয়।

000000

ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ইতিমধ্যে শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত অভিষেক শৰ্মাৰ সুন্দৰ প্ৰদৰ্শনৰ বলত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত সঞ্জু ছেমছনে ২২ টা বলত ৫৭ ৰান কৰি ভাৰতীয় দলৰ সহজ জয় নিশ্চিত কৰি তোলে।

000000

*সমাপ্ত*